**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-05-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ উন্নয়নৰ এটা উজ্জ্বল অধ্যায় বুলি অভিহিত কৰিছে।

২। দেশৰ সুৰক্ষা আৰু সমৃদ্ধিৰ বাবে মেক ইন ইণ্ডিয়া পদক্ষেপ অতি গুৰুত্বপূৰ্ণ বুলি প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰকাশ কৰিছে।

৩। সন্ত্ৰাসবাদক উৎখাত কৰাৰ আহ্বানেৰে ভাৰতৰ সংসদীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণৰ জৰিয়তে আৰম্ভ হোৱা উচ্চ পৰ্যায়ৰ আলাপ-আলোচনা অব্যাহত আছে।

৪। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে ৰাষ্ট্ৰসংঘ শান্তি ৰক্ষকৰ আন্তঃৰাষ্ট্ৰীয় দিৱসত সমগ্ৰ বিশ্বতে শান্তি ৰক্ষাৰ বাবে নিয়োজিত সাহসী পুৰুষ-মহিলাসকলৰ ত্যাগ আৰু বীৰত্বৰ প্ৰতি শ্ৰদ্ধা জনাইছে।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে' অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ'ব।

ooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ছিকিমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলক ভাৰতৰ উন্নয়নৰ এটা উজ্জ্বল অধ্যায় বুলি অভিহিত কৰিছে। ছিকিম ৰাজ্য প্ৰতিষ্ঠাৰ ৫০ বছৰ পূৰ হোৱা উপলক্ষে আয়োজিত অনুষ্ঠান ভাৰ্চুৱেল ব্যৱস্থাৰে উদ্বোধন কৰি তেওঁ এইদৰে মত প্ৰকাশ কৰে। ছিকিমৰ ৫০ বছৰ ঃ উদ্দেশ্য সাধনমূলক প্ৰগতি আৰু প্ৰকৃতিৰ সৈতে বিকাশ সন্দৰ্ভত আয়োজিত বিশেষ অনুষ্ঠানত অংশগ্ৰহণ কৰি তেওঁ এইদৰে কয়। উল্লেখযোগ্য যে কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধনৰ উদ্দেশ্যে ছিকিম, পশ্চিম বংগ আৰু বিহাৰ ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী মোদী আজি পুৱা শিলিগুড়িৰ বাগদোগৰা বিমান বন্দৰত উপস্থিত হয় যদিও প্ৰতিকুল বতৰৰ বাবে তেওঁ ছিকিম ভ্ৰমণ বাতিল কৰিবলগীয়া হয়। ছিকিমৰ ৫০ বছৰ উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ দি তেওঁ ৰাজ্যখনৰ উন্নয়নৰ প্ৰতি কেন্দ্ৰীয় চৰকাৰৰ সম্পূৰ্ণ সহযোগিতা নিশ্চিত কৰে। ছেভক-ৰংপো ৰে'লপথে ছিকিমক দেশৰ ৰে'ল মানচিত্ৰৰ সৈতে সংযুক্ত কৰিব বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে বিগত ১০ টা বছৰত ৰাজ্যখনত প্ৰায় ৪০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ নতুন ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণ কৰা হৈছে। একেদৰে গ্ৰামাঞ্চলতো ১০০ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰাৰ লগতে অটল সেতু নিৰ্মাণৰ জৰিয়তে ছিকিম আৰু দাৰ্জিলিঙৰ মাজত যোগাযোগ ব্যৱস্থা বহু পৰিমাণে উন্নত হৈছে বুলিও তেওঁ প্ৰকাশ কৰে।

আজিৰ দিনটোৰ অন্যান্য কাৰ্যসূচীৰ অংশ হিচাপে পশ্চিমবংগৰ আলিপুৰদুৱাৰত আয়োজিত এখন পৰিৱৰ্তন সংকল্প সভাত ভাষণ দিয়াৰ পাছত প্ৰধানমন্ত্ৰীয়ে আলিপুৰ দুৱাৰ-কোচবিহাৰ মহানগৰীয়া গেছ বিতৰণ প্ৰকল্প এটাৰ আধাৰশিলা স্থাপন কৰিব। এহেজাৰ ১০ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পৰ জৰিয়তে প্ৰায় আঢ়ৈ লাখ পৰিয়াল, ১০০ৰো অধিক ব্যয়সায়িক প্ৰতিষ্ঠান আৰু ঔদ্যোগিক গোটলৈ পাইপযোগে প্ৰাকৃতিক গেছ আৰু প্ৰায় ১৯টা চি এন জি ষ্টেচনলৈ সংকুচিত প্ৰাকৃতিক গেছ যোগান ধৰা হ'ব। এই প্ৰকল্পই অঞ্চলটোত সুবিধাজনক, নিৰ্ভৰযোগ্য, পৰিবেশ বান্ধৱ আৰু কম খৰচী ইন্ধন যোগান সুনিশ্চিত কৰিব আৰু কৰ্মসংস্থাপনৰ ন-ন সুযোগ সৃষ্টি কৰিব।

বিয়লি শ্ৰীমোদীয়ে বিহাৰৰ পাটনা বিমান বন্দৰত নতুনকৈ নিৰ্মিত যাত্ৰী কেন্দ্ৰ এটা মুকলি কৰিব। প্ৰায় এহেজাৰ ২০০ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা এই নতুন কেন্দ্ৰটোৰ জৰিয়তে বছৰি ১ কোটি যাত্ৰী আহ-যাহ কৰিব পাৰিব। ইয়াৰ পাছতে প্ৰধানমন্ত্ৰীয়ে পাটনাত এটা ৰোড শ্ব'ত অংশ ল'ব। পাটনা বিমান বন্দৰত আৰম্ভ হ'বলগীয়া এই ৰোড শ্ব'ৰ বিজেপিৰ ৰাজ্যিক মুখ্য কাৰ্যালয়ত সামৰণী পৰিব। ভ্ৰমণ কালত শ্ৰীমোদীয়ে এহেজাৰ ৪১০ কোটিৰো অধিক টকা ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া বিহ্‌ট বিমান বন্দৰৰ অসামৰিক বহিঃক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰিব।

০০০০০০০০০

দেশৰ সুৰক্ষা আৰু সমৃদ্ধিৰ বাবে মেক ইন ইণ্ডিয়া পদক্ষেপ অতি গুৰুত্বপূৰ্ণ আৰু এই পদক্ষেপে অপাৰেচন সিন্দূৰৰ সময়ত সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াত বিশেষ ভূমিকা পালন কৰিলে। নতুন দিল্লীত অনুষ্ঠিত ভাৰতীয় উদ্যোগ মহাসংঘৰ বাৰ্ষিক ব্যৱসায়িক সন্মিলনত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে ভাৰতে সন্ত্ৰাসবাদৰ বিৰুদ্ধে ৰণনীতি আৰু প্ৰতিক্ৰিয়া দুয়োটাকে পুনৰ ৰূপ দিলে। এতিয়াৰে পৰা পাকিস্তানৰ সৈতে আলোচনা হ'লে কেৱল সন্ত্ৰাসবাদ আৰু পাক্ অধিকৃত কাশ্মীৰক লৈহে আলোচনা হ'ব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে স্পষ্ট কৰি দিয়ে। তেওঁ কয়, যে সন্ত্ৰাসবাদৰ ব্যৱসায় চলোৱাটো যে সুলভ নহয়, বৰং ইয়াৰ বাবে বৃহৎ মূল্য ভৰিব লাগিব, সেই কথা পাকিস্তানে অনুভৱ কৰিছে। শ্ৰী সিঙে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিৰ্ণায়ক পদক্ষেপ গ্ৰহণ কৰাত ভাৰতৰ থলুৱা প্ৰতিৰক্ষা পদ্ধতিৰ শলাগ লয়। বৰ্তমান ভাৰতে কেৱল যুদ্ধ বিমান আৰু ক্ষেপনাস্ত্ৰ নিৰ্মাণ কৰাই নহয়, বৰং নতুন যুগৰ যুদ্ধ প্ৰযুক্তিৰ বাবেও দেশ সাজু হৈ উঠিছে বুলি শ্ৰী সিঙে মন্তব্য কৰে। মেক ইন্ ইণ্ডিয়াত দেশৰ এটা নিৰ্ণায়ক ক্ষণ বুলি অভিহিত কৰি তেওঁ কয়, যে আভিযান্ত্ৰিক উচ্চ মানৰ উৎপাদন আৰু জাপানৰ দৰে ভৱিষ্যত প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰত উন্নয়নশীল কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব পাৰিব। ভাৰতৰ বাৰ্ষিক প্ৰতিৰক্ষা উৎপাদনে ১ লাখ ৬৬ হাজাৰ কোটি টকাৰ প্ৰতিৰক্ষা সামগ্ৰী উৎপাদনৰ জৰিয়তে সৰ্বকালৰ সীমা অতিক্ৰম কৰিছে বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে লগতে প্ৰকাশ কৰে।

০০০০০০০০০

সন্ত্ৰাসবাদক উৎখাত কৰাৰ আহ্বানেৰে ভাৰতৰ সংসদীয় প্ৰতিনিধি দলৰ বিদেশ ভ্ৰমণৰ জৰিয়তে আৰম্ভ হোৱা উচ্চ পৰ্যায়ৰ আলাপ-আলোচনা অব্যাহত আছে। ভিন ভিন দলৰ সাংসদসকলক লৈ গঠন কৰা এনে ৭টা প্ৰতিনিধি দলে সম্প্ৰতি বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰিছে। বিজেপিৰ সাংসদ বৈজয়ন্ত জয় পাণ্ডা নেতৃত্বাধীন সৰ্বদলীয় প্ৰতিনিধি দলটো যোৱা ২৭ মে'ৰ পৰা চৌদি আৰৱত বিভিন্ন পক্ষৰ সৈতে আলোচনাত মিলিত হৈছে। তেওঁলোকে যোৱা ২২ এপ্ৰিলত ২৬ গৰাকী অসামৰিক ব্যক্তিক হত্যা কৰা পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাটোৰ বিষয়ে ব্যাখ্যা কৰে। প্ৰতিনিধি দলটোৱে চৌদি আৰৱৰ বৈদেশিক পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী আদেল আল জুবেইৰকে ধৰি দেশখনৰ নেতৃবৰ্গক ভাৰতৰ সন্ত্ৰাসবাদ বিৰোধী কঠোৰ স্থিতিৰ বিষয়ে অৱগত কৰায়। একেদৰে দেশখনৰ সাধাৰণ নাগৰিকসকলৰ বিভিন্ন সংস্থাকে ধৰি ভিন ভিন পক্ষৰ সৈতে আলোচনাত মিলিত হৈ তেওঁলোকে দুয়োখন দেশৰ মাজত মত বিনিময় তথা দ্বিপাক্ষিক সহযোগিতাৰ সম্ভাৱনাক লৈও আলোচনা কৰে।

ডি এম কেৰ সাংসদ কে কানিমোঝি নেতৃত্বাধীন প্ৰতিনিধি দলটোৱে গ্ৰীচৰ বৈদেশিক মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াবৰ্গৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। গ্ৰীচ-ভাৰত সংসদীয় মিত্ৰতা গোটকে ধৰি ভিন ভিন পক্ষৰ সৈতে আলোচনা কৰি প্ৰতিনিধি দলটোৱে সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ ক্ষেত্ৰত দেশখনৰ সহযোগিতাৰ বাবে আহ্বান জনায়। সন্ত্ৰাসবাদৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত লোক আৰু এনে লোকলৈ আশ্ৰয় তথা সহায়-সমৰ্থন আগবঢ়োৱা সকলৰ মাজত কোনো পাৰ্থক্য নাই বুলিও দলটোৱে ভাৰতৰ মত উপস্থাপন কৰে। পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ লগতে ভাৰতে দিয়া প্ৰত্যুত্তৰৰ বিষয়েও তেওঁলোকে গ্ৰীচৰ প্ৰতিনিধিসকলক জানিবলৈ দিয়ে।

বিজেপিৰ সাংসদ ৰবিশংকৰ প্ৰসাদৰ নেতৃত্বত যোৱা দলটোৱে ৰোমত ইটালীৰ ছিনেটৰ বৈদেশিক পৰিক্ৰমা আৰু প্ৰতিৰক্ষা সমিতিৰ অধ্যক্ষ ষ্টেফানিয়া ক্ৰাক্ ছিৰ সৈতে বৈঠকত অংশগ্ৰহণ কৰে। ভাৰত-ইটালী সংসদীয় মিত্ৰতা গোটকে ধৰি আন বিভিন্ন পক্ষৰ সৈতেও আলোচনাত মিলিত হৈ সংসদীয় প্ৰতিনিধি দলটোৱে বিশ্বত দেখা দিয়া সন্ত্ৰাসবাদৰ ভয়াৱহতাৰ বিষয়ে আলোচনা কৰে। ভাৰত আৰু ইটালীৰ মাজৰ সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কৰ বিষয়টোৱেও এই আলোচনাত স্থান লাভ কৰে।

সঞ্জয় কুমাৰ ঝা নেতৃত্বাধীন সংসদীয় প্ৰতিনিধিৰ দলটোৱে জাকাৰ্টাত ইণ্ডোনেছিয়াৰ বিদ্বান, ব্যক্তি আৰু গৱেষকসকলৰ এটা দলৰ সৈতে গুৰুত্বপূৰ্ণ আলোচনাত অংশগ্ৰহণ কৰে। এই আলোচনাত তেওঁলোকে সন্ত্ৰাসবাদৰ প্ৰতি শূন্য সহনশীলতাৰে গ্ৰহণ কৰা ব্যৱস্থা তথা সন্ত্ৰাসবাদী কাৰ্যকলাপক উৎখাত কৰাৰ ক্ষেত্ৰত উভয় পক্ষই সহযোগিতাৰে কাম কৰাৰ সিদ্ধান্ত দোহাৰে। অঞ্চলটোৰ শান্তি তথা সুস্থিৰতা ৰক্ষাৰ বিষয়টোৱেও তেওঁলোকৰ মাজৰ আলোচনাত ঠাই পায়।

কংগ্ৰেছৰ সাংসদ শশী থাৰুৰ নেতৃত্বাধীন সৰ্বদলীয় প্ৰতিনিধিৰ দলটোৱে আজি পানামাত সন্ত্ৰাসবাদৰ বিৰুদ্ধে ভাৰতৰ কঠোৰ স্থিতিৰ বিষয়টো উত্থাপন কৰে। পানামাস্থিত ভাৰতীয় দূতাবাসত আয়োজন কৰা এটা অনুষ্ঠানত ভাগ লৈ শ্ৰী থাৰুৰে কয়, যে পেহেলগামত সংঘটিত বৰ্বৰোচিত আক্ৰমণৰ ঘটনাটোৱে, পৰ্যটনৰ জৰিয়তে উত্থান ঘটিবলৈ লোৱা কাশ্মীৰৰ অৰ্থনীতিক ক্ষতিগ্ৰস্ত কৰিবলৈ পাকিস্তানী সেনাৰ চক্ৰান্তৰ প্ৰতিফলন ঘটাইছে।

এন চি পিৰ সাংসদ সুপ্ৰিয়া সুলেৰ নেতৃত্বত তিনিদিনীয়া ভ্ৰমণসূচীৰে দক্ষিণ আফ্ৰিকালৈ যোৱা সৰ্বদলীয় প্ৰতিনিধি দলটোৱে দেশখনৰ নেতৃবৰ্গৰ সৈতে আলোচনাত অংশগ্ৰহণ কৰিছে। একেদৰে শিৱসেনাৰ সাংসদ শ্ৰীকান্ত সিন্দে নেতৃত্বাধীন প্ৰতিনিধি দলটো কংগো গণৰাজ্যৰ ভ্ৰমণ সামৰি সম্প্ৰতি ছিয়েৰা লিয়নত উপস্থিত হৈছেগৈ।

০০০০০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে ৰাষ্ট্ৰসংঘ শান্তি ৰক্ষকৰ আন্তঃৰাষ্ট্ৰীয় দিৱসত সমগ্ৰ বিশ্বতে শান্তি ৰক্ষাৰ বাবে নিয়োজিত সাহসী পুৰুষ-মহিলাসকলৰ ত্যাগ আৰু বীৰত্বৰ প্ৰতি শ্ৰদ্ধা জনাইছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে আন্তঃৰাষ্ট্ৰীয় শান্তি আৰু নিৰাপত্তা বজাই ৰখাৰ ক্ষেত্ৰত সমৰ্পিত মনোভাৱেৰে অৰিহণা যোগোৱা ৰাষ্ট্ৰসংঘৰ শান্তি ৰক্ষকসকলক প্ৰশংসা কৰে।

০০০০০০০০০

মহাকাশ আৰু প্ৰযুক্তি ক্ষেত্ৰৰ ধন কুবেৰ এলন মাস্কে আমেৰিকা যুক্তৰাষ্ট্ৰৰ চৰকাৰী সামৰ্থ্য দপ্তৰ, ড’জৰ মুৰব্বী হিচাপে তেওঁৰ কাৰ্যকালৰ সামৰণি পৰা বুলি ঘোষণা কৰিছে। এই পদত কাৰ্যনিৰ্বাহৰ জৰিয়তে পুঁজিৰ অপচয় ৰোধ কৰাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰাৰ সুযোগ দিয়াৰ বাবে তেওঁ দেশখনৰ ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পক ধন্যবাদ জ্ঞাপন কৰে। সময় বাগৰাৰ লগে লগে ড’জ অভিযান অধিক শক্তিশালী হৈ চৰকাৰী প্ৰক্ৰিয়াত ক্ৰমান্বয়ে স্বাভাৱিক হৈ পৰিব বুলি তেওঁ আশা প্ৰকাশ কৰে। মাস্কে ৰাষ্ট্ৰপতি ড’নাল্ড ট্ৰাম্পক প্ৰথমবাৰৰ বাবে সমালোচনা কৰাৰ এদিন পাছতে তেওঁ কাৰ্যকাল সামৰণিৰ কথা ঘোষণা কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ প্লে’ অফ পৰ্যায়ৰ খেলসমূহ আজি আৰম্ভ হ’ব। মুল্লানপুৰত আজি হ’বলগীয়া প্ৰথমখন কোৱালিফায়াৰত পইণ্ট তালিকাৰ শীৰ্ষত থকা পঞ্জাৱ কিংছ দ্বিতীয় স্থানৰ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

প্ৰতিযোগিতাৰ কাইলৈ হ’বলগীয়া এলিমিনেটৰ খেলত পইণ্ট তালিকাৰ তৃতীয় স্থানত থকা গুজৰাট টাইটানছ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। এলিমিনেটৰ খেলত জয়লাভ কৰা দলটো দেওবাৰে হ’বলগীয়া দ্বিতীয়খন কোৱালিফায়াৰত প্ৰথম কোৱালিফায়াৰত পৰাজিত দলটোৰ সন্মুখীন হ’ব। এই খেলখনত জয়লাভ কৰা দলটো ৩ জুনত আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হবলগীয়া ফাইনেলত প্ৰথমখন কোৱালিফায়াৰত জয়লাভ কৰা দলটোৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

০০০০০

সমাপ্ত